# কানৈ মহাবিদ্যালয়-শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ চুক্তি স্বাক্ষৰ

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ ফেব্ৰুৱাৰী ঃ হকীত অলিম্পিকৰ সোণৰ পদক লাভেৰে ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই অনা তথা ক্ৰীড়াৰ সৰ্বোচ্চ সন্মান অৰ্জুন বঁটা আৰু পদ্মশ্ৰী সন্মানেৰে বিভূষিত জফৰ ইকবাল আহমেদ আৰু কলকাতাস্থিত কল্যাণী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা নীতা বন্দোপাধ্যায়ৰ উপস্থিতিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সভাকক্ষত ডিএইছএছ কানৈ মহাবিদ্যালয় আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মাজত এক ঐতিহাসিক বুজাবুজিৰ চুক্তি সম্পন্ন হয়। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ হৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক পাৰ্থপ্ৰতিম বৈৰাগীয়ে আৰু ডিএইছএছ কানৈ মহাবিদ্যালয়ৰ হৈ স্বাক্ষৰ কৰে অধ্যক্ষ শশীকান্ত শইকীয়াই। অনুষ্ঠানত উপস্থিত থাকি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জেপি বাৰ্মাই কয়-এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে দুয়োটা অনুষ্ঠানৰ ক্ৰীড়াৰ দিশটোত নতুনত্ব অহাৰ লগতে ছাত্ৰ-ছাত্ৰীসকল বহুখিনি উপকৃত হ'ব পাৰিব। বুজাবুজি চুক্তিত স্বাক্ষৰ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শশীকান্ত শইকীয়াই কয়—এই বুজাবুজি চুক্তিয়ে দুয়োটা অনুষ্ঠানৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়াৰ মানসিকতা আৰু অধিক বৃদ্ধি কৰাত সহায় কৰিব। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক পঞ্জীয়ক অনন্ত কুমাৰ দত্ত, আন্তঃৰাষ্ট্ৰীয় আৰু ঔদ্যোগিক সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা সুনন্দা চাহু, আন্তঃৰাষ্ট্ৰীয় আৰু ঔদ্যোগিক সম্পৰ্কৰক্ষী সমন্বয়ক তথা গ্ৰন্থাগাৰিক পল্লৱী গগৈকে ধৰি শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ভালেকেইজন অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী উপস্থিত থাকে।